জনসংযোগ, অসম প্ৰেছ বাৰ্তা -

# মুখ্য মন্ত্ৰীয়ে উদ্বোধন কৰিলে স্মাৰ্ট পুলিচ শীৰ্ষক কৰ্মশালা

**দিছপুৰ, ৬ মে’ ঃ** মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে আজি অসম আৰক্ষীৰ উলুবাৰীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত স্মাৰ্ট পুলিচ শীৰ্ষক পূৰ্ব ভাৰত আঞ্চলিক কৰ্মশালা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই কৰ্মশালা উদ্বোধন কৰি মুখ্য মন্ত্ৰী গগৈয়ে কয় যে আৰক্ষীয়ে শান্তি-শৃংখলা অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন প্ৰত্যাহ্বানকো নেওচি আৰক্ষীয়ে গুৰু দায়িত্ব পালন কৰি আহিছে বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰী গৰাকীয়ে কয় যে গণতান্ত্ৰিক শাসন ব্যৱস্থাত আৰক্ষীয়ে দক্ষতাৰে কাম কৰাটো অতিশয় প্ৰয়োজন। জনসাধাৰণৰ প্ৰতি আৰক্ষীৰ দায়িত্ববোধৰ প্ৰসংগত মুখ্য মন্ত্ৰী গৰাকীয়ে কয় যে জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি আৰক্ষী বাহিনীৰ লোক অধিক সচেতন হ’ব লাগিব। আমি ধৰ্মনিৰপেক্ষ দেশৰ নাগৰিক। আমাৰ দেশৰ দুখীয়া, সামাজিকভাৱে পিছপৰা, অশিক্ষিত নাগৰিকৰ প্ৰতি আৰক্ষীয়ে অধিক দায়বদ্ধতাৰে সেৱা আগবঢ়াব লাগিব। জনসাধাৰণৰ সংস্কৃতি তথা জীৱনযাত্ৰা প্ৰণালীক ভালদৰে বুজি ল’লে বিভিন্ন সমস্যা সমাধানৰ পথ সহজ হয় বুলি মুখ্য মন্ত্ৰীয়ে মন্তব্য কৰে। নিজৰ ৰাজ্যৰ জনসাধাৰণৰ বিষয়ে সম্যক জ্ঞান থকাটো অতিশয় প্ৰয়োজন বুলি মুখ্য মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয় যে মানৱাধিকাৰ ভংগ নকৰাকৈ ভাৰসাম্য ৰক্ষাৰ জৰিয়তে স্মাৰ্ট পুলিচ ব্যৱস্থাটোৰ সুদৃঢ়কৰণ কৰিব লাগিব। জনসাধাৰণৰ প্ৰতি দায়িত্ববোধ, শক্তিশালী মানসিক স্থিতি, সু-কাৰ্যপদ্ধতিৰ মাজেৰে স্মাৰ্ট পুলিচ ব্যৱস্থাটো গতিশীল কৰা প্ৰয়োজন বুলি মুখ্য মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

আজিৰ এই কাৰ্মশলাত মুখ্য সচিব জীতেশ খোচলা, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ যুটীয়া সচিব ভি ভামলুনমং, ব্যুৰ অৱ পুলিচ ৰিচাৰ্ছ এণ্ড ডেভলেপমেন্টৰ বিশেষ সঞ্চালক প্ৰধান ৰাধাকৃষ্ণ কিনিয়েও ভাষণ দিয়ে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান খগেন শৰ্মাই আদৰণি ভাষণ দিয়া কৰ্মশালাখনত অতিৰিক্ত মুখ্য সচিব এম জি ভি কে ভানু, গৃহ বিভাগৰ আয়ুক্ত-সচিব এল এচ ছাংচন আৰু অসম, অৰুণাচল প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, কলকতা, পশ্চিমবংগ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ছিকিমৰ শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত আছিল।

পুঃডেঃ
৬/৫/২০১৫